প্ৰতীকীৰূপত তিনিখন গাঁৱৰ পৰা সহায় বা ভিক্ষা জৰ্জৰিত। পানী, ভকতগৃহ, অতিথিশালা, অনুষ্ঠিত কৰি আহিছে পূজা ভাগ।

## গোৱালপাৰা মহাবিদ্যালয়ত অনুষ্ঠান

# অসমীয়া বিভাগৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ বিদায় সভা



**প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ১৯ মে' :** নামনি অসমৰ ঐতিহাসিক গোৱালপাৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ১৮ মে'ত এখনি বিদায় সভা অনুষ্ঠিত হয়। সভাৰ লগত সংগতি ৰাখি ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুভৱ লেখা প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে প্ৰীতি দাস, দ্বিতীয় স্থান লাভ কৰে ইছমাইল হুছেইনে। চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ জ্যোতিষ মিতা দাসে গোৱা বৰগীতৰে সভা শুভাৰম্ভ কৰা হয়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ভানু বেজবৰা কলিতাই আঁতধৰা সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মন, অসমীয়া বিভাগৰ অধ্যাপক ড° জহিৰুল হক, তন্ময়ী দাস, জুপিতৰা নাথে বিদায়ী ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি ভাষণ প্ৰদান কৰে। সভাত বিদায়ী ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ লগতে শিক্ষাগুৰুসকলৰ বিভিন্ন স্মৃতি ৰোমন্থন কৰি আৱেগিক হৈ পৰে। ষষ্ঠ ষাণ্মাসিকৰ বিদায়ী ছাত্ৰ ইছলাম হুছেইন, ইনামুল হুছেইনে ভাষণত তিনি বছৰীয়া সময়ৰ বহু স্মৃতি মনত পেলাই আৱেগিক হৈ পৰাৰ লগতে নষ্টালজিক হৈ পৰে। সভাত ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ ইছমাইল হুছেইনে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মন, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ভানু বেজবৰা কলিতা, ড° জহিৰুল হক, তন্ময়ী দাস, জুপিতৰা নাথক কৃতজ্ঞতা পত্ৰৰে কৃতজ্ঞতা জনায়।